# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 12-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত কৃষি খাদ্য ব্যৱস্থাত মহিলাৰ অংশগ্ৰহণ সন্দৰ্ভত চলিত বৰ্ষৰ গোলকীয় সন্মিলনখন মুকলি কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত কৃষকসকললৈ ২২ সংখ্যক কিস্তি মুকলি কৰিব।

৩। ঘৰুৱা এল পি জি যোগান শক্তিশালী কৰাৰ লক্ষ্যৰে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ ফলত দেশৰ এল পি জি উৎপাদন ২৫ শতাংশ বৃদ্ধি পাইছে।

৪। পশ্চিম এছিয়াত চলি থকা সংঘৰ্ষ ক্ৰমাৎ বৃদ্ধি পাইছে। ***আৰু***

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে চলিত বৰ্ষৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ৰ সূচী ঘোষণা কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত কৃষি খাদ্য ব্যৱস্থাত মহিলাৰ অংশগ্ৰহণ সন্দৰ্ভত চলিত বৰ্ষৰ গোলকীয় সন্মিলনখন মুকলি কৰিব। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ নতুন দিল্লীস্থিত অভিৰৰ্তন কেন্দ্ৰত এই তিনিদিনীয়া সন্মিলনৰ আয়োজন কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানো উপস্থিত থাকিব।

পৰিষদৰ সঞ্চালক প্ৰধান ড০ এম এল জাটে কালি এখন সংবাদমেলত কয়, যে ৰাষ্ট্ৰসংঘই চলিত বৰ্ষটো মহিলা কৃষকৰ আন্তঃৰাষ্ট্ৰীয় বৰ্ষ হিচাপে ঘোষণা কৰিছে আৰু এই বৰ্ষটোতে ভাৰতত সন্মিলনখনৰ আয়োজন কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি সন্মিলনত সমগ্ৰ বিশ্বৰ ৭০০তকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা আশা আছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত কৃষকসকললৈ ২২ সংখ্যক কিস্তি মুকলি কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই ২২ সংখ্যক কিস্তিৰ অধীনত দেশৰ ৯ কোটি ৩২ লাখতকৈও অধিক কৃষকৰ পৰিয়ালৰ বেংক একাউণ্টলৈ ১৮ হাজাৰ ৪০ কোটিতকৈও অধিক ধন পোনপটীয়াভাৱে প্ৰেৰণ কৰা হ'ব।

সামাজিক মাধ্যমত লিখা এটা প'ষ্টত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰা অনুসৰি এই কিস্তিক সামৰি আঁচনিখনৰ অধীনত মুকলি কৰি দিয়া ধনৰ পৰিমাণে ৪ লাখ ২৭ হাজাৰ কোটি অতিক্ৰম কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই আঁচনিয়ে কৃষকৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰকাশ কৰে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই আঁচনিৰ অধীনত যোগ্য হিচাপে বিবেচিত কৃষকৰ পৰিয়ালে বছৰি ৩টা সমান কিস্তিত বাৰ্ষিক মুঠ ৬ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ

কৰে। তেওঁ কয়, যে এই ২২ সংখ্যক কিস্তিৰ অধীনতে ২ কোটি ১৫ লাখতকৈও অধিক মহিলা কৃষকে আৰ্থিক সাহায্য লাভ কৰিব।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে অসম ভ্ৰমণ কৰিব। এই উপলক্ষে কোকৰাঝাৰ, কামৰূপ মহানগৰ আৰু কাছাৰকে ধৰি সংশ্লিষ্ট জিলা কেইখনত প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত তেওঁ ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্প জনসাধাৰণৰ বাবে উৎসৰ্গা কৰিব আৰু কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুৰিত প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্প উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথ বৈদ্যুতিকীকৰণ ৰে'লপথ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যয় সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। পৰহিলৈ শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব।

00000

গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত ৰাজ্যসভাত আজি পুনৰ আলোচনা অনুষ্ঠিত হ'ব। লোকসভাত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সেৱাসমূহৰ বাবে ভাৰতৰ সঞ্চিত পুঁজিৰ পৰা কিছু অতিৰিক্ত ধনৰাশিৰ আদায় আৰু বিনিয়োগক স্বীকৃতি প্ৰদান কৰাৰ বাবে বিনিয়োগ বিধেয়ক ২০২৬ উত্থাপন কৰিব। কালি লোকসভাত অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ ধ্বনি ভোটত অগ্ৰাহ্য হয়। সদনত হোৱা আলোচনাৰ উত্তৰত বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে অধ্যক্ষৰ আস্থা সন্দৰ্ভত বিৰোধীয়ে তোলা প্ৰশ্ন অত্যন্ত দুৰ্ভাগ্যজনক।

00000

ঘৰুৱা LPG যোগান শক্তিশালী কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা বিভিন্ন চৰকাৰী পদক্ষেপৰ ফলত দেশৰ LPG উৎপাদন ২৫শতাংশ বৃদ্ধি পাইছে। নতুন দিল্লীত কালি সন্ধিয়া পশ্চিম এছিয়াত শেহতীয়া পৰিস্থিতি সন্দৰ্ভত অনুষ্ঠিত আন্তঃ মন্ত্ৰী পৰ্যায়ৰ আলোচনাত পেট্ৰোলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সজাতা শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয় যে.চৰকাৰে যোৱা ৮ মাৰ্চত শোধনাগাৰ আৰু পেত্ৰ পেট্ৰোকেমিকেল কোম্পনীসমূহক LPG উৎপাদন বৃদ্ধি কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত ঘৰুৱা LPG উৎপাদন প্ৰায় ২৫ শতাংশ বৃদ্ধি পাইছে।

দেশৰ খাৰুৱা তেলৰ যোগান সন্দৰ্ভত যুটীয়া সচিব গৰাকীয়ে কয় যে. দেশৰ যোগান সৰক্ষিত হৈয়েই আছে আৰু প্ৰায় ৭০ শতাংশ খাৰুৱা আমদানি হৰমুজ প্ৰণালীৰ বাহিৰৰ পৰাই হৈ আছে।

00000

পশ্চিম এছিয়া সংঘাতৰ পৰিপ্ৰেক্ষিতত দেশত LPGৰ যোগান আৰু বিতৰণ সন্দৰ্ভত পৰ্যালোচনা কৰাৰ বাবে কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে কালি সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক সকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক LPG যোগান শৃংখলা সৰক্ষিত ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰি দৈনিক হিচাপত স্থানীয় LPG যোগানৰ নিৰীক্ষণ, নিয়ম ভংগকাৰীৰ বিৰুদ্ধে। কঠোৰ ব্যৱস্থা গ্ৰহণ আৰু আইন শৃংখলা পৰিস্থিতি বৰ্তাই ৰখাৰ বাবেও ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহক নিৰ্দেশ দিয়া হৈছে। শ্ৰী মোহনে প্ৰত্যক্ষ অথবা তেল বিপনন কোম্পানীসমূহৰ জৰিয়তে এই ক্ষেত্ৰত প্ৰয়োজনীয় সজাগতা অভিযান হাতত লোৱাৰ লগতে LPGৰ নাটনি সন্দৰ্ভত যিকোনো উৰা বাতৰি ৰোধ কৰিবলৈও সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, গৃহ মন্ত্ৰালয়ে ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকা নিয়ন্ত্ৰণ কক্ষ অধিক শক্তিশালী কৰি তুলিছে বুলিও তেওঁ জানিবলৈ দিয়ে।

ooooo

পশ্চিম এছিয়াত চলি থকা সংঘৰ্ষ ক্ৰমাৎ বৃদ্ধি পাইছে। ইৰানে পাৰস্য উপসাগৰীয় অঞ্চলৰ বাণিজ্যিক জাহাজসমূহক লক্ষ্য কৰি লৈছে আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিমান আন্তঃগাঁথনিসমূহক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। আবু ধাবি প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি পুৰণি আবু ধাবি বিমান বন্দৰৰ সমীপত অগ্নিকাণ্ড সংঘটিত হৈছিল যদিও প্ৰশাসনে ততালিকে ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে কালি ডুবাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত হোৱা এটা ড্ৰ'ন আক্ৰমণত এজন ভাৰতীয় নাগৰিককে ধৰি ৪ জন লোক আঘাতপ্ৰাপ্ত হৈছে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইয়ে চলিত বৰ্ষৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ৰ সূচী ঘোষণা কৰিছে। এই পৰ্যায়ৰ খেলসমূহ ২৮ মাৰ্চৰ পৰা ১২ এপ্ৰিলৰ ভিতৰত খেলোৱা হ'ব। এই সময়ছোৱাত দেশৰ ৩ খন ৰাজ্যত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰথম পৰ্যায়ৰ সূচী ঘোষণা কৰা হৈছে। ৰাজ্যকেইখনত বিধানসভা নিৰ্বাচনৰ দিন চূড়ান্ত হ'লে প্ৰতিযোগিতাৰ সম্পূৰ্ণ সূচী প্ৰকাশ কৰা হ'ব বুলি পৰিষদে জানিবলৈ দিছে। এই জনপ্ৰিয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতাখনৰ ১৯ সংখ্যক সংস্কৰণৰ প্ৰথমখন খেল বিগত বৰ্ষৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত অনুষ্ঠিত হ'ব। খেলখন বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত খেলোৱা হ'ব। পৰৱৰ্তী খেলখনত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতা প্ৰথম পৰ্যায়ৰ ২০ খন খেলৰ বাবে ১০টা স্থান চূড়ান্ত কৰা হৈছে। এই স্থানসমূহ হ'ল- বেংগালুৰু, মুম্বাই, গুৱাহাটী, নিউ চণ্ডীগড়, লক্ষ্ণৌ, কলকাতা, চেন্নাই, দিল্লী, আহমেদাবাদ আৰু হায়দৰাবাদ। এইবেলি চেলেঞ্জাৰ্ছ বেংগালুৰু দলটোৱে বেংগালুৰুত ৫ খন আৰু ৰায়পুৰত দুখন খেলত ভাগ ল'ব। ইপিনে পাঞ্জাব কিংছে নিউ চণ্ডীগড়ত ৪ খন আৰু ধৰমশালাত ৩ খন খেলত অৱতীৰ্ণ হ'ব। কালি প্ৰকাশিত সূচী অনুসৰি ৰাজস্থান ৰয়েলছে গুৱাহাটীত ৩ খন আৰু জয়পুৰত ৪ খন খেলত অৱতীৰ্ণ হ'ব। অৱশ্যে কৰ্ণাটক চৰকাৰে গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিৰ সেউজ সংকেত লাভ কৰাৰ পাছততহে বেংগালুৰুত খেলসমূহ অনুষ্ঠিত হ'ব বুলি পৰিষদে জানিবলৈ দিছে।

ooooo

চলিত বৰ্ষৰ ছুইছ অপেন বেডমিণ্টন প্ৰতিযোগিতাত কালি ভাৰতৰ কিৰণ জৰ্জে ছিংগাপুৰৰ তৃতীয় বাছনিপ্ৰাপ্ত প্ৰাক্তন বিশ্ব চেম্পিয়ন ল'হ ইন ইউক প্ৰথম ৰাউণ্ডতে ২৩-২১, ২১-১৯ পোনপটীয়া গেমত পৰাস্ত কৰে। দ্বিতীয় ৰাউণ্ডত ভাৰতীয় খেলুৱৈগৰাকী হংকঙৰ জেচন গুনাৱানৰ মুখামুখি হ'ব। গুনাৱানে প্ৰথম ৰাউণ্ডৰ আন এখন খেলত বিশ্বৰ প্ৰাক্তন শীৰ্ষ স্থানৰ খেলুৱৈ ভাৰতৰ কিদাম্বী শ্ৰীকান্তক ২১-১৫, ১২-২১, ৪-২১ গেমত পৰাস্ত কৰে। ইপিনে মিক্সড ডাবলছত ভাৰতৰ ধ্ৰুৱ কপিলা আৰু তানিছা ক্ৰাষ্ট'ৰ যুটীটোৱে ডেনমাৰ্কৰ চতুৰ্থ বাছনিপ্ৰাপ্ত জেছপাৰ টফ্‌ট আৰু এমেলি মেগলুণ্ডৰ যুটীটোৰ বিৰুদ্ধে ২১-১৫, ২১-১৪ গেমত বিজয় অৰ্জন কৰে। দ্বিতীয় ৰাউণ্ডত ভাৰতীয় যুটীটো চীনৰ গাও জিয়া জুৱান আৰু উ মেং য়িঙৰ মুখামুখি হ'ব।

ইপিনে মহিলাৰ ছিংগলছত ভাৰতৰ মালবিকা বাঞ্চোৰ, তনভী শৰ্মা আৰু উন্নতি হুদাই প্ৰথম ৰাউণ্ডৰ পৰাই বিদায় লয়।

ooooo

আকাশবাণীযোগে প্ৰচাৰ হৈ থকা **পিপলছ পদ্ম অন আকাশৱাণী** শীৰ্ষক অনুষ্ঠানত আজি জম্মু-কাশ্মীৰত সামাজিক ক্ষেত্ৰত কৰা কামৰ বাবে পদ্মশ্ৰী সন্মানেৰে বিভূষিত শ্ৰী ব্ৰীজলাল ভাটৰ সৈতে হোৱা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গ'ল্ড চেনেলযোগে আজি বিয়লি ৫ বাজি ১০ মিনিটৰ পৰা এই প'ডকাষ্টটো প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে নিউজ অন এয়াৰ এপ আৰু নিউজ অন এয়াৰ অফিচিয়েল ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিবলৈ পাব। অনুষ্ঠানটো কাইলৈ পুৱা ৯ বাজি ১০ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

ooooo

ভাৰতৰ মহিলা হকী দলটোৱে হায়দৰাবাদত চলি থকা চলিত বৰ্ষৰ এফ আই এইচ হকী বিশ্বকাপ প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী পৰ্যায়ৰ এখন খেলত ৱেলছক ৪-১ গ'লত পৰাস্ত কৰে। জি এম চি বালায়োগী হকী গ্ৰাউণ্ডত কালি অনুষ্ঠিত পুল-বিৰ খেলখনত ভাৰতৰ হৈ নৱনীত কৌৰে তিনিটা আৰু সাক্ষী ৰাণা এটা গ'ল দিয়ে। কালিৰ বিজয়ৰ সুবাদত ভাৰতে পইণ্ট তালিকাৰ পুল-বিত শীৰ্ষস্থানৰ দল হিচাপে স্থিতি নিশ্চিত কৰে। ভাৰতে ইতিমধ্যে ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। ভাৰত ছেমি ফাইনেলত ১৩ মাৰ্চত ইটালীৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত